**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-JUNE-2026
**Time :** 12:05 HRS

***Assamese 12.05 PM Bulletin***

——————————————

১। ইউৰোপীয় সংঘৰ উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলৰ দুদিনীয়া ভ্ৰমণসূচীৰে আজি অসম আগমন।
২। ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত আজি জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ বিচাৰ প্ৰক্ৰিয়া আৰম্ভ।
৩। আকাশবাণীৰ ৯০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে বিভিন্নজনৰ শুভেচ্ছা জ্ঞাপন। **আৰু**
৪। নিম্ন আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ বড়ো, গাৰো, মণিপুৰী আৰু মাৰ মাধ্যমৰ শিক্ষকৰ বাবে অহা ২৮ জুনত বিশেষ টেট।

oooooo

ইউৰোপীয় সংঘৰ এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দল দুদিনীয়া ভ্ৰমণসূচীৰে আজি অসমলৈ আহিব। এই ভ্ৰমণে অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন খণ্ডত বিনিয়োগ আৰু নিয়োগৰ নতুন দুৱাৰ মুকলি কৰিব বুলি আশা কৰা হৈছে। প্ৰতিনিধি দলটোক অসমলৈ আদৰণি জনাই সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে ইউৰোপীয় সংঘৰ প্ৰতিনিধি দলৰ অসম ভ্ৰমণে ভাৰত-ইউৰোপীয় সংঘৰ মাজত শক্তিশালী সম্পৰ্ক, বাণিজ্য সম্পৰ্ক আৰু উমৈহতীয়া প্ৰগতিৰ গুৰুত্বপূৰ্ণ অধ্যায়ৰ সূচনা কৰিব। তেওঁ কয়, যে ইউৰোপীয়ান ব্লু ভেলী ক্লাষ্টাৰ উদ্যোগৰ অধীনত অসম আৰু ইউৰোপীয় সংঘৰ পাৰস্পৰিক ঔদ্যোগিক সক্ষমতাসমূহক একত্ৰিত কৰি জৈৱ আধাৰিত মূল্য সংযোজনৰ বাবে সুসংহত আৰু সমন্বিত ব্যৱস্থা গঢ়ি তোলা হ'ব। ইয়াৰ ফলত কৃষি, খাদ্য প্ৰসংস্কৰণ, জৈৱ প্ৰযুক্তি, শক্তি আদি বিভিন্ন ক্ষেত্ৰত উদ্ভাৱন, বিনিয়োগ আৰু প্ৰযুক্তিগত অৰ্থনৈতিক বিকাশৰ সুযোগ সৃষ্টি কৰিব বুলি ড০ শৰ্মাই প্ৰকাশ কৰে।

oooooo

ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ বিচাৰ প্ৰক্ৰিয়া আজি আৰম্ভ হ'ব। বিচাৰৰ প্ৰথম দিনটোতে আদালতে ৪ জন সাক্ষীক তলব কৰিছে। আদালতে গোচৰ সংক্ৰান্তত মৰিগাঁও জিলাৰ আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাস, জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত এজাহাৰ দাখিল কৰা ৰাতুল বৰা, মৰিগাঁৱৰ ভাৰপ্ৰাপ্ত বিষয়া প্ৰণৱ শইকীয়া, আৰু আৰক্ষী পৰিদৰ্শক ভাস্কৰ বৰ্মনক আজি আদালতত হাজিৰ হৈ সাক্ষ্য দিবলৈ নিৰ্দেশ জাৰি কৰিছে। উল্লেখযোগ্য যে ফাষ্টট্ৰেক আদালতে যোৱা ২৬ মে'ত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ ৭ গৰাকী অভিযুক্তৰ বিৰুদ্ধে গোচৰৰ ধাৰা আৰোপ কৰিছিল। ইয়াৰ ভিত্তিত আদালতে আজিৰ পৰা প্ৰতিদিনে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত সাক্ষীৰ সাক্ষ্য গ্ৰহণ কৰিব।

oooooo

আকাশবাণীয়ে আজি ৯০ বছৰ সম্পূৰ্ণ কৰিলে। ১৯৩৬ চনৰ এই দিনটোতে ইণ্ডিয়ান ষ্টেট ব্ৰডকাষ্টিং ছাৰ্ভিচৰ নাম সলনি কৰি অল ইণ্ডিয়া ৰেডিঅ' হিচাপে নামকৰণ কৰা হৈছিল। দেশৰ সাংস্কৃতিক, তথ্য আৰু সম্প্ৰচাৰৰ ইতিহাসত আজিৰ দিনটো এটা বিশেষ ক্ষণ হিচাপে ধৰা হয়, কাৰণ এই দিনটোতেই প্ৰজন্মৰ পাছত প্ৰজন্মলৈ প্ৰতিধ্বনিত হোৱা এটা কণ্ঠৰ জন্ম হয়।

স্বাধীনতাৰ পাছত অল ইণ্ডিয়া ৰেডিঅ’ৰ দ্ৰুত সম্প্ৰসাৰণ হয় আৰু ১৯৫৬ চনত পুনৰ ইয়াৰ নাম সলনি কৰি আকাশবাণী ৰখা হয়। বৰ্তমান আকাশবাণীয়ে ৫৯১টা কেন্দ্ৰৰ পৰা ২৩ ভাষা আৰু ১৪৬টা উপ-ভাষাত দেশৰ মুঠ জনসংখ্যাৰ ৯৮ শতাংশ লোকৰ বাবে সেৱা আগবঢ়াই আছে। আকাশবাণীৰ বৈদেশিক সেৱা বিভাগে ১০০ খনৰো অধিক দেশত সম্প্ৰচাৰৰ জৰিয়তে ভাৰতৰ কণ্ঠক বিশ্বত প্ৰতিষ্ঠা কৰিছে। একেদৰে বহুজন হিতায়, বহুজন সুখায় আদৰ্শৰে আকাশবাণীৰ বাতৰি সেৱা বিভাগে প্ৰায়বোৰ মুখ্য ভাষা আৰু উপ-ভাষাত ২৪ ঘণ্টাই সমগ্ৰ দেশৰ প্ৰতিটো ঘটনাৰ বাতৰি পৰিৱেশন কৰি আহিছে।

কেন্দ্ৰীয় সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে আকাশবাণীৰ ৯০ বছৰীয়া বৰ্ণিল যাত্ৰা উপলক্ষে শুভেচ্ছা জনাইছে। এটা ভিডিঅ বাৰ্তাত শ্ৰীৰিজিজুৱে কয়, যে বৰ্তমান সমগ্ৰ ৰাষ্ট্ৰ আকাশবাণীৰ সৈতে জড়িত হৈ আছে। আকাশবাণীৰ জৰিয়তে এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ ভাৱনা অধিক শক্তিশালী হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

**বাইট (কিৰেন ৰিজিজু)**

oooooo

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি গুৱাহাটীৰ দীঘলীপুখুৰীৰ যুদ্ধ স্মাৰক ক্ষেত্ৰত দেশৰ হকে প্ৰাণ আহুতি দিয়া বীৰ ছহিদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সৈনিক কল্যাণ সঞ্চালকালয়ৰ উদ্যোগত আয়োজিত আমাৰ ছহিদ শ্ৰদ্ধাঞ্জলি শীৰ্ষক কাৰ্যসূচীত ৰাজ্যপালগৰাকীয়ে ছহিদসকলৰ অদম্য সাহস, বীৰত্ব, দেশপ্ৰেম আৰু নিষ্ঠাক শ্ৰদ্ধাৰে স্মৰণ কৰে। অনুষ্ঠানত দেশৰ বাবে প্ৰাণ আহুতি দিয়া ছগৰাকী বীৰ ছহিদৰ পৰিয়ালক বিশেষভাৱে সন্মানিত কৰা হয়। উল্লেখযোগ্য যে ৰাজ্যখনৰ মুঠ ১০৪ গৰাকী জোৱানে এতিয়ালৈকে দেশৰ বাবে প্ৰাণ বিসৰ্জন দিছে।

oooooo

নিম্ন আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ বড়ো, গাৰো, মণিপুৰী আৰু মাৰ মাধ্যমৰ শিক্ষকৰ বাবে অহা ২৮ জুনত বিশেষ টেট অনুষ্ঠিত হ’ব। অসম চৰকাৰৰ ৰাজ্যিক পৰ্যায়ৰ অধিকাৰপ্ৰাপ্ত টেট সমিতিয়ে এই সন্দৰ্ভত জাৰি কৰা অধিসূচনা অনুসৰি পৰীক্ষাৰ্থীসকলে অহা ১২ জুনৰ দিনৰ ১১ বজাৰ পৰা অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ ৱেবছাইট www.sebaonline.org ৰ পৰা প্ৰৱেশ পত্ৰ ডাউনলোড কৰিব পাৰিব। পৰীক্ষাৰ্থীসকলে প্ৰৱেশ পত্ৰৰ সৈতে যিকোনো এখন ফটোযুক্ত পৰিচয় পত্ৰ পৰীক্ষাৰ দিনা লগত নিব লাগিব। তদুপৰি পৰীক্ষা কেন্দ্ৰৰ ভিতৰলৈ ম’বাইল ফোন, কোনো ধৰণৰ ইলেকট্ৰনিক সামগ্ৰী, ডিজিটেল ঘড়ী আদি লগত নিব নোৱাৰিব।

oooooo

অহা ২১ জুনত হ’বলগীয়া চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ ৰাষ্ট্ৰীয় যোগ্যতা আৰু প্ৰৱেশ পৰীক্ষা, নীট অনুষ্ঠিত হ’বলগীয়া চহৰসমূহৰ নাম ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই প্ৰকাশ কৰিছে। সংস্থাটোৱে জাৰি কৰা অধিসূচনা অনুসৰি ২১ জুনত দেশৰ ৫৫১ খন চহৰ আৰু বিদেশৰ ১৪ খন চহৰত বিয়লি ২ বজাৰ পৰা ৫ বাজি ১৫ মিনিটলৈ নীটৰ পুনৰ পৰীক্ষা অনুষ্ঠিত হ’ব। পৰীক্ষা হ’বলগীয়া চহৰৰ সূচনা পত্ৰখন প্ৰৱেশ পত্ৰ নহয় আৰু কেৱল পৰীক্ষাৰ্থীসকলক তেওঁলোকৰ পৰীক্ষা কেন্দ্ৰৰ বিষয়ে অৱগত কৰোৱাৰ বাবেহে এয়া প্ৰকাশ কৰা হৈছে বুলি ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই স্পষ্ট কৰি দিছে। সংস্থাটোৱে লগতে পৰীক্ষা আৰু প্ৰৱেশ পত্ৰৰ শেহতীয়া তথ্যৰ বাবে ইয়াৰ অফিচিয়েল ৱেবছাইট পৰীক্ষা কৰি থাকিবলৈ পৰীক্ষাৰ্থীসকলক আহ্বান জনাইছে।

উল্লেখযোগ্য যে চিকিৎসা বিজ্ঞানৰ পাঠ্যক্রমত নামভৰ্তিৰ বাবে নীট-ইউজি যোৱা ৩ মে’ত অনুষ্ঠিত হৈছিল যদিও প্ৰশ্নকাকত ফাদিলৰ অভিযোগত ১২ মে’ত ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই নীট বাতিল কৰে। ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থাই সম্প্ৰতি বিষয়টো তদন্ত কৰি আছে।

০০০০০০

ৰাজ্য চৰকাৰৰ মন্ত্ৰী কেশৱ মহন্তই আজি কলিয়াবৰৰ জখলাবন্ধা কৃষি চক্ৰৰ অন্তৰ্গত কেৰিবাকৰি গাঁৱত কৃষি বিভাগৰ উদ্যোগত অনুষ্ঠিত বীজ সিঁচা পৰ্বৰ শুভাৰম্ভ কৰে। শালি ধানৰ বীস সিঁচা আৰু উন্নত জাতৰ তিতাকেৰেলাৰ বীজ ৰোপণ কাৰ্যসূচীত মন্ত্ৰী শ্ৰী মহন্তৰ লগতে কলিয়াবৰ সম-জিলাৰ আয়ুক্ত ৰাজ বৰুৱা, মহকুমা কৃষি বিষয়া চুৰামণি ঢাকাল, জখলাবন্ধা কৃষি উন্নয়ন বিষয়া নীলোৎপল শংকৰীসন প্ৰমুখ্যে ভালেসংখ্যক বিষয়া-কৰ্মচাৰী আৰু কৃষক উপস্থিত থাকে।

০০০০০০

মানাহ ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই উদ্যানখনৰ বাঁহবাৰী বনাঞ্চলত কালি এখন ঘাঁহনি নাৰ্চাৰী মুকলি কৰে। মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ ক্ষেত্ৰ সঞ্চালক ড০ চি ৰমেশৰ উপস্থিতিত প্ৰধান মুখ্য বন সংৰক্ষক বিনয় গুপ্তই এই ঘাঁহনি নাৰ্চাৰী আনুষ্ঠানিকভাৱে মুকলি কৰে। ইয়াৰ জৰিয়তে ৰাষ্ট্ৰীয় উদ্যানখনত তৃণভোজী প্ৰাণীৰ বাবে খাদ্য যোগানৰ লক্ষ্য লোৱা হৈছে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় উদ্যানখনত অপতৃণই আৱৰি ধৰাৰ ফলত ঘাঁহনি অঞ্চল ক্ৰমান্বয়ে হ্ৰাস পাই আহিছে। কালি বাঁহবাৰী বনাঞ্চলত এনে অপতৃণসমূহ আঁতৰাই উলুখেৰ, কাঁহিবন, বিৰিণা বন, কহুঁৱাকে ধৰি প্ৰায় ১৬ বিধ ঘাঁহনিৰ বীজ ছটিওৱা হয়।

০০০০০০

কোকৰাঝাৰ জিলাত মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ এখন কাৰ্যনিৰ্বাহক সভা আজি অনুষ্ঠিত হয়। সভাৰ অন্তত এখন সংবাদমেলত শিক্ষক আৰু কৰ্মচাৰী সন্থাই শিক্ষা বিভাগৰ বিভিন্ন সমস্যা আৰু দাবীসমূহৰ বিষয়ে আলোচনা কৰা হয় বুলি প্ৰকাশ কৰে। সন্থাই মাধ্যমিক বিদ্যালয়ত স্থায়ী প্ৰধান শিক্ষকৰ নিযুক্তি প্ৰদানৰ বাবে চৰকাৰক ধন্যবাদ জনায়। সন্থাই লগতে এতিয়াও নিযুক্তি সম্পূৰ্ণ নোহোৱা জিলাসমূহত শীঘ্ৰেই ব্যৱস্থা গ্ৰহণৰ বাবে আহ্বান জনায়। তদুপৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত অধ্যক্ষ নিযুক্তিৰ বাবে প্ৰকাশিত বিজ্ঞাপনত ভাৰপ্ৰাপ্ত অধ্যক্ষসকলৰ ক্ষেত্ৰত বয়সৰ উচ্চসীমা শিথিল কৰাৰ দাবী উত্থাপন কৰে।

০০০০০০

ডিব্ৰুগড় জিলাৰ চৰকাৰী খণ্ডৰ অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহৰ ভিতৰত চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত সৰ্বোচ্চ নম্বৰ লাভ কৰা জেছমি গগৈক সাবিত্ৰী মিশ্ৰ ভাগৱতী স্মাৰক বঁটা ২০২৬ প্ৰদান কৰা হয়। পি এম চি ৰহমৰীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৯১ দশমিক ৫ শতাংশ নম্বৰ লাভ কৰি বিদ্যালয়লৈ সুনাম কঢ়িয়াই অনা জেছমি গগৈক ডিব্ৰুগড় জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক কবিতা ডেকাই এই বঁটা প্ৰদান কৰে। লগতে জিলাখনৰ চৰকাৰী খণ্ডৰ অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহৰ ভিতৰত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উৎকৃষ্ট ফল প্ৰদৰ্শন কৰা চাবুৱাৰ দিনজয় হাজাৰীমল উচ্চতৰ মাধ্যমিক বিদ্যালয়ক এটা স্মাৰক আৰু মানপত্ৰৰে সন্মানিত কৰা হয়।

০০০০০০

প্ৰসিদ্ধ চেতাৰবাদক প্ৰদ্যুম্ন দাসৰ কালি নিশা গুৱাহাটীৰ এখন হাস্পতালত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৯ বছৰ। শিলচৰত জন্মলাভ কৰা প্ৰয়াত দাসে প্ৰথম সময়ছোৱাত নগাঁৱত

আৰু পৰৱৰ্তী কালত দিল্লীত চেতাৰৰ শিক্ষা গ্ৰহণ কৰে। তেওঁ বিশ্ব প্ৰসিদ্ধ চেতাৰবাদক পণ্ডিত ৰবি শংকৰৰ পৰা ৫ বছৰ কাল চেতাৰৰ শিক্ষা গ্ৰহণ কৰিছিল। আকাশবাণী শিলচৰ কেন্দ্ৰৰ এগৰাকী স্থায়ী শিল্পীৰূপে কৰ্মজীৱন আৰম্ভ কৰা প্ৰয়াত দাসে ১৯৮৫ চনত গুৱাহাটী আকাশবাণী কেন্দ্ৰৰ পৰা অৱসৰ গ্ৰহণ কৰে। তেওঁৰ মৃত্যুত আকাশবাণী শিলচৰ আৰু গুৱাহাটী কেন্দ্ৰৰ কৰ্মচাৰীসকলৰ লগতে ভালেসংখ্যক শিষ্য আৰু গুণমুগ্ধই শোক প্ৰকাশ কৰে

oooooo

**সমাপ্ত**